জনসংযোগ, অসম

প্ৰেছ বাৰ্তা নং ঃ ২০৫

# জনতাভৱনত সাক্ষাৎকাৰীৰ প্ৰৱেশত থকা বাধাৰ শিথিলতা

**দিছপুৰ, ২৯ অক্টোবৰ ঃ** অসম সচিবালয়ৰ সাধাৰণ প্ৰশাসন বিভাগে জাৰি কৰা এক আদেশযোগে সম্প্ৰতি ক'ভিড-১৯ ৰ সংক্ৰমণ তুলনামূলকভাৱে নিয়ন্ত্ৰন হোৱাৰ পৰিপ্ৰেক্ষিতত জনতাভৱনত পুনৰ সাক্ষাৎকাৰীৰ প্ৰৱেশ অহা ১ নৱেম্বৰৰ পৰা আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি, জনতাভৱনলৈ অহা প্ৰতিগৰাকী সাক্ষাৎকাৰীয়ে ক'ভিড-১৯ ৰ দুয়োটা পালি প্ৰতিষেধক লোৱাটো বাধ্যতামূলক আৰু চৰকাৰে সময়ে সময়ে জাৰি কৰা নিৰ্দেশাৱলী মানি চলাটো আৱশ্যক।

ত্ৰি.হা./প্ৰ.দ./২৯-১০-২০২১